**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-05-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

## ***HEADLINES***

১। আজি পুৱতি নিশাৰে পৰা দেশৰ পশ্চিম অংশৰ লে'হৰ পৰা চাৰ ক্রিকলৈকে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ৩৬খন স্থানত পাকিস্তানে গুৰু কামান আৰু অস্ত্র-শস্ত্রৰে চলোৱা আক্রমণ ভাৰতীয় বাহিনীয়ে প্রতিহত কৰে।

২। প্রতিৰক্ষা মন্ত্রী ৰাজনাথ সিঙে আজি দেশৰ পশ্চিম অংশৰ নিৰাপত্তা পৰিস্থিতি আৰু সেনাবাহিনীৰ প্রস্তুতি সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়।

৩। দিল্লী বিমান বন্দৰত আজি ১৩৮ খন বিমানৰ সেৱা বাতিল কৰা হয়।

আৰু

৪। বি চি চি আইয়ে চলিত আই পি এল ক্রিকেট প্রতিযোগিতাৰ বাকী থকা খেলসমূহ এসপ্তাহৰ বাবে তাৎক্ষণিকভাৱে বাতিল কৰাৰ কথা ঘোষণা কৰিছে।

০০০০০০০

পাকিস্তানে আজি পুৱতি নিশাৰে পৰা দেশৰ পশ্চিম অংশৰ জম্মু আৰু কাশ্মীৰৰ লে'হৰ পৰা গুজৰাটৰ চাৰ ক্রিকলৈকে সম্পূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ৩৬ খন স্থানত শক্তিশালী কামান আৰু অস্ত্র-শস্ত্রৰে আক্রমণ চলায়। ইয়াৰ উপৰিও পাকিস্তানে কেইবাটাও অঞ্চলত ড্রোনেৰে ভাৰতীয় সীমাৰ ভিতৰত সোমাই সশস্ত্র বাহিনীৰ ঘাটি আৰু গুৰুদ্বাৰাকে ধৰি সৰ্বসাধাৰণৰ ৰাইজৰ বাসগৃহ আৰু সম্পত্তিৰ ওপৰত আক্রমণ চলোৱাৰ চেষ্টা কৰে। ভাৰতীয় আকাশমাৰ্গ প্রতিৰক্ষা প্রণালী আৰু আন সামৰিক উপায়েৰে পাকিস্তানৰ আক্রমণৰ যোগ্য প্রত্যুত্তৰ দিয়া হয়। আজি বিয়লি নতুন দিল্লীত বৈদেশিক সচিব বিক্রম মিশ্রি আৰু প্রতিৰক্ষা মন্ত্রালয়ৰ মুখপাত্র কৰ্ণেল ছোফিয়া কুৰেশ্বি আৰু উইং কমাণ্ডাৰ ব্যোমিকা সিঙে সাংবাদিকৰ আগত এই কথা প্রকাশ কৰে। সামৰিক বিষয়া দুগৰাকীয়ে কয়, যে পাকিস্তানে এই আক্রমণত ব্যৱহাৰ কৰা কেইবাখনো ড্রোন ভাৰতে ভূপতিত কৰে। প্রাথমিক অনুসন্ধানৰ দ্বাৰা এই ড্রোনকেইখন তুৰস্কত তৈয়াৰ কৰা ড্রোন বুলি থাৱৰ কৰা হৈছে। ইয়াৰ উপৰিও পাকিস্তানে যোৱা নিশা পাঞ্জাবৰ ভাটিন্দাত থকা সেনা বাহিনীৰ এটা ঘাটিকো আক্রমণ কৰাৰ চেষ্টা চলায়। এই মানৱ বিহীন যানখনো ভূপতিত কৰা হয়। পাকিস্তানৰ এই দায়িত্ব জ্ঞানহীন আক্রমণক কেইবাজনো ভাৰতীয় সৈন্য আৰু অসামৰিক লোক হতাহত হৈছে। কৰ্ণেল কুৰেশ্বিয়ে কয় যে পাকিস্তানে যোৱা নিশা প্রায় ৩শৰ পৰা ৪শ খন ড্রোন ব্যৱহাৰ কৰিছিল আৰু ভাৰতীয় বাহিনীসমূহে এইসমূহক গতিশীল আৰু ভূমিভাগৰ পৰা নিক্ষেপ কৰা অস্ত্রপ্রণালীৰে প্রতিহত আৰু ধ্বংস কৰে। ভাৰতৰ বায়ু প্রতিৰক্ষা প্রণালীৰ কাৰ্যকৰীতা পৰীক্ষা কৰা আৰু চোৰাংচোৱা তথ্য আহৰণ কৰাৰ বাবেই এই আক্রমণ চলোৱা হৈছিল বুলি কৰ্ণেল কুৰেশ্বিয়ে প্রকাশ কৰে।

উইং কমাণ্ডাৰ ব্যোমিকা সিঙে কয়, যে এই আক্রমণ প্রত্যাক্রমণৰ পৰিস্থিতি সত্তেও পাকিস্তানে ইয়াৰ যাত্রীবাহী বিমানসেৱা বন্ধ কৰা নাই। কালি লাহোৰ আৰু কৰাচিৰ মাজত চলাচল কৰা এখন এয়াৰবাছ

320 বিমান পাকিস্তানৰ আকাশমাৰ্গত সন্ধিয়া ৭ বজাৰ পৰা নিশা চাৰে ন বজাৰ ভিতৰত দেখা পাই ভাৰতে সংযমৰ পৰিচয় দি নিজৰ ড্ৰোন আক্ৰমণ স্থগিত ৰাখে।

বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে পাকিস্তানৰ যোৱা নিশা আৰু আজিৰ কাৰ্যকলাপসমূহক অতিশয় উচতনিমূলক বুলি আখ্যা দিয়ে আৰু ইয়াক দুই দেশৰ মাজৰ পৰিস্থিতিৰ অৱনতি ঘটোৱাৰ প্ৰয়াস বুলি মন্তব্য কৰে। তেওঁ কয় যে পাকিস্তানৰ এই আগ্ৰাসনৰ ভাৰতে সমানুপাতিক আৰু পৰ্যাপ্ত প্ৰত্যুত্তৰ দিয়াৰ লগতে ভাৰতে এই সময়তো এখন দায়িত্বশীল ৰাষ্ট্ৰৰ দৰে আচৰণ কৰিছে। তেওঁ লগতে কয়, যে পাকিস্তানে পুঞ্চৰ এটা গুৰুদ্বাৰাত গোলাবৰ্ষণ কৰাৰ ফলত এজন লোক নিহত আৰু শিশুকে ধৰি কেইবাজনো লোক আহত হৈছে। ইয়ে পাকিস্তানৰ দ্বিচাৰিতাৰ কথাকে প্ৰমাণ কৰিছে বুলি মিশ্ৰিয়ে উল্লেখ কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বৈদেশিক সচিবগৰাকীয়ে কয়, যে বৰ্তমানৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নানকানাচাহিব সংযোগী কাৰ্টাৰপুৰ কৰিড'ৰ সাময়িকভাৱে বন্ধ কৰা হৈছে। আজি হবলগীয়া আন্তৰ্জাতিক মুদ্ৰানিধি চমুকৈ আই এম এফৰ বৈঠকত ভাৰতে পাকিস্তানৰ পূৰ্বৰ আই এম এফৰ ঋণ মকুব কৰাৰ প্ৰস্তাৱৰ বিৰোধিতা কৰিব বুলিও মিশ্ৰিয়ে প্ৰকাশ কৰে।

oooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি দেশৰ পশ্চিম অংশৰ নিৰাপত্তা পৰিস্থিতি আৰু সেনাবাহিনীৰ প্ৰস্তুতি সম্পৰ্কত সশস্ত্ৰ বাহিনীৰ প্ৰধান জেনেৰেল অনিল চৌহান, স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, বায়ুসেনাধ্যক্ষ এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিং আৰু নৌসেনাধ্যক্ষ এডমিৰেল দীনেশ কে ত্ৰিপাঠীৰ সৈতে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিৰক্ষা সচিব আৰ কে সিং উপস্থিত আছিল। আনহাতে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সীমান্ত নিৰাপত্তা বাহিনী বি এছ্ এফ, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী আৰু অসামৰিক বিমান পৰিবহণ সুৰক্ষা সংস্থাৰ মুৰব্বী কেইগৰাকীৰ সৈতে আন এখন পৰ্যালোচনা বৈঠকত মিলিত হয়।

ooooooooo

দিল্লী বিমান বন্দৰত আজি ১৩৮ খন বিমানৰ সেৱা বাতিল কৰা হয়। ইয়াৰ ভিতৰত অৱতৰণ কৰিবলগীয়া ৪ খন আন্তঃৰাষ্ট্ৰীয় বিমান, যাত্ৰা কৰিবলগীয়া ৫ খন আন্তঃৰাষ্ট্ৰীয় বিমান, ৬৩ খন অৱতৰণ কৰিবলগীয়া ঘৰুৱা বিমান আৰু ৬৬ খন যাত্ৰা কৰিবলগীয়া ঘৰুৱা বিমান আছে। যাত্ৰীসকলক শেহতীয়া বিমানৰ তথ্যৰ বাবে সংশ্লিষ্ট সংস্থাৰ তথ্য পৰীক্ষা কৰিবলৈ আৰু বিকল্প যাত্ৰাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনোৱা হৈছে।

পাকিস্তানৰ শেহতীয়া আগ্ৰাসী মনোভাবৰ প্ৰতি লক্ষ্য ৰাখি কিষণগঢ়, ভুন্তৰ আৰু লুধিয়ানা বিমান বন্দৰ বন্ধ কৰি দিয়া হৈছে। ইয়াৰ পূৰ্বে ৰাজস্থান, পাঞ্জাব, জম্মু-কাশ্মীৰ, চণ্ডীগড় আৰু হিমাচল প্ৰদেশকে ধৰি কেইবাখনো ৰাজ্যৰ বিমান বন্দৰৰ সেৱা বাতিল কৰা হৈছে। ইপিনে, অ-সামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে সমগ্ৰ দেশৰ বিমান বন্দৰসমূহ বন্ধ কৰি দিয়া হৈছে বুলি কেতবোৰ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰিক খণ্ডণ কৰিছে। বিমান কৰ্তৃপক্ষই যাত্ৰীসকলক নিৰ্দিষ্ট সূত্ৰৰ ওপৰতহে ভৰষা কৰিবলৈ আহ্বান জনাইছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে তেওঁ কয় যে দেশৰ সাহিত্য আৰু সাংস্কৃতিক ঐতিহ্যৰ ক্ষেত্ৰত

কবিগুৰুৱে আগবঢ়োৱা অৱদান অতি উল্লেখনীয়। ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৃষ্টিসমূহে মানৱতাবাদৰ গুৰুত্ব আৰোপ কৰাৰ লগতে জনসাধাৰণৰ মাজত জাতীয়তাবাদৰ ভাৱো জাগ্ৰত কৰে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে বিশেষকৈ শান্তিনিকেতনৰ জৰিয়তে শিক্ষা আৰু শিক্ষণৰ ক্ষেত্ৰত কবিগুৰুৱে আগবঢ়োৱা অৱদান সদায়েই প্ৰেৰণাৰ উৎস।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে নিয়মীয়া সেনবাহিনীক সহায় কৰিবলৈ, অত্যাৱশ্যকীয় প্ৰহৰীৰ ব্যৱস্থা কৰিবলৈ আৰু পৰিপূৰক কাম কৰিবলৈ টেৰিটৰিয়েল আৰ্মীৰ প্ৰতিগৰাকী বিষয়া আৰু কৰ্মী মাতি পঠিয়াবলৈ সেনাবাহিনীৰ মুৰববীক ক্ষমতা প্ৰদান কৰিছে। ১৯৪৮ চনৰ টেৰিটৰিয়েল আৰ্মীৰ শাসনৰ অধীনত সেনা প্ৰধানক এই ক্ষমতা প্ৰদান কৰা হৈছে। এই আদেশ ২০২৮ চনৰ ৯ ফেব্ৰুৱাৰীলৈকে অৰ্থাৎ তিনি বছৰৰ বাবে বলবৎ হ'ব। অধিসূচনাযোগে প্ৰতিৰক্ষা মন্ত্ৰালয়ে টেৰিটৰিয়েল আৰ্মীৰ বৰ্তমানৰ ৩২টা ইনফেণ্ট্ৰি বেটেলিয়নৰ ভিতৰত ১৪টা ইনফেণ্ট্ৰি বেটেলিয়নক ছাউথাৰ্ণ কমাণ্ড, নাডাৰ্ণ কমাণ্ড, ছাউথ ৱেষ্টাৰ্ণ কমাণ্ড, আন্দামান আৰু নিকোবৰ কমাণ্ড আৰু আৰ্মী ট্ৰেইনিং কমাণ্ড অঞ্চলত নিয়োজিত কৰিছে।

০০০০০০০০০

পঞ্জাব চৰকাৰে ৯টা ড্ৰোণ বিৰোধী ব্যৱস্থা ক্ৰয় কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভাগৱন্ত সিং মানে এই কথা প্ৰকাশ কৰিছে। সীমান্ত সুৰক্ষা বাহিনীৰ সহায়ত নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহৰ ক্ষেত্ৰত দৃষ্টি ৰাখিবলৈ ৰাজ্যখনৰ ৬খন জিলাত এই ব্যৱস্থাসমূহ ৰূপায়ণ কৰা হ'ব। আজি পঞ্জাব চৰকাৰৰ কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলযোগে কয়, যে ৰাজ্য চৰকাৰৰ **ফাৰিস্তে আঁচনি**ত সন্ত্ৰাসবাদৰ ভুক্তভোগী আৰু যুদ্ধত আহত অসামৰিক লোকক অন্তৰ্ভুক্ত কৰা হ'ব। এই আঁচনিত অন্তৰ্ভুক্ত হোৱা লোকসকলক যিকোনো চিকিৎসালয়ত বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হ'ব। আজিৰ কেবিনেট বৈঠকত অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰ্যাপ্ত যোগান নিশ্চিত কৰিবলৈ ৰাজ্যৰ মন্ত্ৰীসকলে সীমান্ত অঞ্চল ভ্ৰমণ কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়।

০০০০০০০

সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে ৰাজ্যখনৰ প্ৰস্তুতি আৰু সজাগতা সন্দৰ্ভত আজি এখন উচ্চস্তৰীয় বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে সীমান্তৱৰ্ত্তী জিলা যেনে কুশ্ব, বানচকান্থ, পটন আৰু জামনগৰৰ উচ্চপদস্থ বিষয়া, জিলা প্ৰশাসন আৰু আৰক্ষীৰ সৈতে সুৰক্ষা, সজাগতা আৰু চিকিৎসা সন্দৰ্ভত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠক সম্পন্ন কৰে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী হৰ্ষ ছাংঘাবিয়ে কয় যে অহা ১৫ মে'লৈকে ৰাজ্যখনৰ ৰাজহুৱা আৰু ব্যক্তিগত অনুষ্ঠানত ফটকা, ড্ৰোণ আদি ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ বীৰ যোদ্ধা মহাৰাণা প্ৰতাপৰ জন্মবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে তেওঁ কয় যে মাতৃভূমিৰ আত্মসন্মান ৰক্ষাৰ বাবে মহাৰাণা প্ৰতাপে দেখুওৱা সাহস দেশবাসীৰ বাবে প্ৰেৰণাৰ উৎস। দেশমাতৃৰ বাবে উৎসৰ্গিত বীৰ যোদ্ধাসকলে দেশৰ জনতাক অনুপ্ৰেৰণা যোগায় বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

ভাৰতীয় ক্রিকেট নিয়ন্ত্রণ পৰিষদ, বি চি চি আইয়ে চলিত আই পি এল ক্রিকেট প্রতিযোগিতাৰ বাকী থকা খেলসমূহ এসপ্তাহৰ বাবে তাৎক্ষণিকভাৱে বাতিল কৰাৰ কথা ঘোষণা কৰিছে। ভাৰত আৰু পাকিস্তানৰ মাজৰ সামৰিক গতিবিধি বৃদ্ধি পোৱাৰ পৰিপ্রেক্ষিতত বিশেষকৈ কাশ্মীৰ খণ্ডত শেহতীয়াকৈ সীমান্ত এলেকাৰ উত্তেজনাপূর্ণ পৰিস্থিতিৰ বাবে বি চি চি আইয়ে এই সিদ্ধান্ত লয়। বি চি চি আইয়ে আজি বিয়লি এটা বিবৃতি জাৰি কৰি কয়, যে পৰিস্থিতিৰ সামগ্রিক পর্যালোচনাৰ পাছত সংশ্লিষ্ট কর্তৃপক্ষ আৰু অংশীদাৰসকলৰ সৈতে পৰামর্শ কৰি খেলৰ পৰৱর্তী সময় আৰু স্থানৰ সবিশেষ তথ্য প্রকাশ কৰা হ'ব। আই পি এলৰ গভর্নিং কাউন্সিলে ইয়াৰ ফ্রেঞ্চাইজি প্রতিনিধিসকলকে ধৰি মুখ্য অংশীদাৰীসকলৰ সৈতে আলোচনাৰ পাছত এই সিদ্ধান্ত গ্রহণ কৰে।

০০০০০০

খেলো ইণ্ডিয়া যুৱ ক্রীড়া ২০২৫ৰ শ্যুটিঙত মহাৰাষ্ট্ৰৰ পার্থ ৰাকেশ মানে আৰু সম্ভৱী শ্রৱণ ক্ষিৰসাগৰে ১০ মিটাৰ এয়াৰ ৰাইফল মিক্সড টীম শাখাত সোণৰ পদক অর্জন কৰিছে। খেলখন নতুন দিল্লীৰ ড০ কার্ণি সিং শ্যুটিং ৰেঞ্জত অনুষ্ঠিত হৈছিল। উল্লেখযোগ্য যে এই জয়েৰে সম্ভৱী শ্রৱণ ক্ষিৰসাগৰে খেলো ইণ্ডিয়াত দ্বিতীয়টো সোণৰ পদক লাভ কৰিছে।

খেলখনত কর্ণাটকৰ হ্ৰুদ্যা শ্রী কণ্ডুৰ আৰু নৱাইন প্রণৱে ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে বিহাৰৰ দিব্যা শ্রী আৰু ৰুদ্র প্রতাপ সিঙে ব্রঞ্জৰ পদক লাভ কৰে। এয়া হৈছে খেলো ইণ্ডিয়াত বিহাৰৰ প্রথমটো পদক।

০০০০০০০০০

সমাপ্ত